# ক'ৰ'না

- খাইৰুল ইছলাম

📚 time to read: 3 minutes

ক'ৰ'না ! এয়া কি তোমাৰ কৰুণা?!

লগ ধৰিব আহিলা জীৱ শ্ৰেষ্ঠ মানৱক

আৰু মানুহৰ মাজত সাম্য, মৈত্ৰী,শান্তি বিলাই দিলা

পাৰ্থক্য নাইকিয়া কৰিলা –

কোন ধনী? কোন দুখীয়া ?

ৰজা কোন প্ৰজা কোন ?

কোন উচ্চ কোন নীচ ? বগা কোন ক'লা কোন?

কোন হিন্দু , মুছলমান, শিখ , বৌদ্ধ, খ্ৰীষ্টান

ধনীয়ে ক'ব নোৱাৰে মোৰ ধন আছে ?

দুখীয়াই নেভাৱে আমাৰ ধন নাই ?

মন্ত্ৰী বিধায়ক, সাংসদ ,ৰজা- মহাৰজা আমোলা, বিষয়া , নেতা- পালিনেতা

দেখুৱাব নোৱাৰে ক্ষমতা , বীৰত্ব

আজি সকলো একে !

ক'ৰ'না ! এয়া কি তোমাৰ কৰুণা ?

আজি বসুন্ধৰা হাঁহিছে,উচ্চস্বৰে হাঁহিছে !

ঘোষণা কৰিছে –

হে জীৱশ্ৰেষ্ঠতা দাবী কৰা মানৱ, চোৱা

এক অনুজীৱ ভাইৰাছ নাম ক'ৰ'না

আৰু তোমালোক সমগ্ৰ মানৱ

যুদ্ধ কৰিছা আৰু মৰিছা ।

আৰু ক্লান্ত হৈছা !

" পাপ মোচনৰ এয়া উপযুক্ত সময় ।"

লক ডাউন কৰা সমগ্ৰ পৃথিৱী , তোমালোকৰ সৃষ্ট বোজা-বাহনত মই অপাৰগ

আৰু বন্ধ হ'ল

মদৰ আড্ডা, জুৱাৰ আড্ডা,

বাৰ-ৰেষ্টোৰেন্টৰ উত্তাল নৃত্য , ৰঙা-নীলা পোহৰ

পতিতালয় , পাৰ্ক, চিনেমা হল ,

বিকিনীৰ আড্ডা সেই সমূদ্ৰ তীৰ

বন্ধ হ'ল ক'লাধনৰ অবৈধ বেহা

ডকাইতি ,চুৰি, ধৰ্ষণ , হত্যা,

পুনৰ ঘোষণা কৰিলে –

তোমালোকৰ সৃষ্ট মছজিদ, মঠ ,মন্দিৰ, নামঘৰ

গীৰ্জা , গুৰুদ্বাৰ বন্ধ কৰা ।

প্ৰমাণিত হ'ল ঈশ্বৰ, আল্লাহ , ভগৱান , যীচু ,

এই গৃহ বোৰত নাই !

পৰম কৰুণাময় লুকাই আছে "জীৱৰ দেহতে

জীৱক প্ৰতিপালিত কৰা , মৰম কৰা"

আৰু শুভাৰম্ভ হ'ল –

এতিয়া ধন বিলাইছে ,

মুক্ত হস্তে দান কৰিছে

দুখীয়া –নিচলা, গৰীব-দূৰ্বলীক সকাহ দিছে

মৰমৰ সেই দুৰ্বল বান্ধটো শক্তিশালী হ'ল ।

ক'ৰ'না ! এয়া কি তোমাৰ কৰুণা?

আকাশখন নিৰ্মল হৈছে , পৰিৱেশ সুস্থ হৈছে

বায়ুমণ্ডল বিশুদ্ধ হৈছে , প্ৰদূষণমুক্ত হৈছে ।

গছে আপোন মনে খাদ্য প্ৰস্তত কৰিছে, উশাহ-নিশাহ লৈছে

নদী , খাল-বিল, নিজৰা, সাগৰ, মহাসাগৰত

আজি জীৱৰ দম কমিছে,

জীৱশ্ৰেষ্ঠত্ব দাবী কৰা মানুহৰ অত্যাচাৰ কমিছে,

বন্যপ্ৰাণী চৰাই-চিৰিকটি মুকলিকৈ ফুৰিছে, চৰিছে

মাছ , ছাগলী, মহ, গাহৰি , গৰু এই বন্যপ্ৰাণীবোৰে

আজি হাঁহিছে আৰু কৈছে

হে দানৱ ৰূপী মানৱ

আজি তোমালোক বন্দী

আমাক নিৰ্বিচাৰে হত্যা কৰিছিলা

আমাক ভক্ষণ কৰিছিলা

আজি তোমালোক শান্ত ?

ক'ৰ'না ! এয়াই কি তোমাৰ কৰুণা?!

গাড়ী-মটৰ ,যান-বাহন,কল-কাৰখানা বন্ধ

উৰাজাহাজ,পানী জাহাজ,ৰেল,মেট্ৰ' ট্ৰেইন

সকলো আজি স্তব্ধ।

নেতাৰ ভাষণ,মিছিল সকলো আজি বন্ধ।

ক'তা আজি দেখোন শ্ল'গানৰ দৰকাৰ নাই?!

“সেউজ গৃহ গেছ”,”কাৰ্বন নিৰ্গমণ”,”গোলকীকৰণ”

ক'ৰ'না! এয়াই নেকি তোমাৰ কৰুণা?!

তোমাৰ বাবে আমি হাত ধুবলৈ শিকিছো,

গা-ধোৱা,থুই-খেকাৰ , শেঙুন মচা সকলো শিকিছো।

কোৱাৰেন্টাইন,স্বাস্থ্যৰ যতন শিকিছো

কছৰৎ শিকিছো,

খোৱাপানী,খোৱাবস্তু আদি কেনে হব লাগে তাকো শিকিছো।

নতুনকৈ পুনৰ শিকিছো মায়া-মমতা,মৰম- ভালপোৱা,স্নেহ-প্ৰীতি

কৃত্ৰিমতাৰ সলনি অকৃত্ৰিম

হেতুৰ পৰিৱৰ্তে অহৈতুকী

মা-দেউতাৰ যতন,মৰম-সন্মান , ককা-আইতা আৰু নাতিৰ সম্পৰ্ক

এই সকলোবোৰ শিকিছো।

পৰিয়ালৰ বান্ধোন শক্তিশালী কৰিবলৈ একেলগে বহিছো,গল্প কৰিছো,গাইছো,নাচিছো, আঁকিছো,পঢ়িছো,লিখিছো আৰু ঘৰুৱা কাম কৰিছো।

সময়ৰ পাছত দৌৰা নৰ-নাৰী আজি জিৰণি লৈছে

অফুৰন্ত সময় পাইছে

স্বামী-স্ত্ৰী,সন্তান একেলগে বহিছে

পৰস্পৰক বুজি পাইছে।

ক'ৰ'না! এয়াই কি তোমাৰ কৰুণা

পৃথিৱীত বিজ্ঞানৰ জয় নে পৰাজয়

তোমাৰ উৎস আৰু পতনৰ পথ

উলিয়াবলৈ বিজ্ঞানীসকল অপাৰগ কিয়?

তোমাৰ পৰা পৰিত্ৰাণৰ পথৰ অনুসন্ধান কৰিছে

ইটোৰ পাছত সিটো প্ৰয়োগ কৰিছে মৃত্যুৰ কিৰিলি বাঢ়িছে

সমস্ত মানৱ ভয়ত ত্ৰস্তমান,কম্পিত

পুনৰ ঘোষণা কৰিছা

" আক্ৰমণ"!

লগে লগে সংক্ৰমিত হৈছে ইখনৰ পাছত সিখন গাওঁ,চহৰ-নগৰ,দেশ-মহাদেশ

প্ৰতিহত কৰিবলৈ যাওঁতে

মানৱ পক্ষৰ সৈনিক ডাক্তৰ,নাৰ্চ,স্বাস্থ্যকৰ্মী

মৰিছে,সংক্ৰমিত হৈছে এজনৰ পাছত আন এজন

তথাপিও যুদ্ধ চলাই নিছে

ক'ৰ'না! তুমি তিষ্ঠি থাকিব নোৱাৰিবা

তুমি মানৱৰ লগ এৰিবই লাগিব।

কি...ন্ত...

তোমাৰ কৰুণাৰ নে বিভীষিকাৰ বাবে

বিশ্ব ইতিহাসত তুমি জীয়াই থাকিবা

আৰু জিলিকি থাকিবা চিৰদিনলৈ

কোভিড-১৯।